# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি টকিঅ'ত হ'বলগীয়া পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পুৰা অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব।

৩। ভাৰত আৰু ভূটানে কৃষি আৰু আনুসংগিক খণ্ডসমূহত কাৰিকৰী সহযোগিতাৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৪। আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস।

*আৰু*

৫। বিহাৰৰ ৰাজগিৰত আজিৰে পৰা পুৰুষৰ দ্বাদশ এছিয়া কাপ হকী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি টকিঅ'ত হ'বলগীয়া পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমোদী কিছু সময় পূৰ্বে দুদিনীয়া ভ্ৰমণসূচীৰে জাপানত উপস্থিত হৈছে। সন্মিলনত শ্ৰীমোদীয়ে জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইছিভাৰ সৈতে উভয় দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ পৰ্যালোচনা কৰিব আৰু দেশ দুখনৰ মাজৰ বিশেষ কৌশলগত সম্পৰ্কৰ পৰৱৰ্তী পৰ্যায় গোলকীয় সহযোগিতাক আগুৱাই নিয়াৰ উপায় সম্পৰ্কে আলোচনা কৰিব।

ভ্ৰমণলৈ বুলি ৰাওনা হোৱৰ পূৰ্বে দিয়া এটা বিবৃতিত শ্ৰীমোদীয়ে তেওঁৰ জাপান আৰু চীন ভ্ৰমণে দেশৰ স্বাৰ্থ তথা অগ্ৰাধিকাৰসমূহক আগুৱাই লৈ যাব আৰু আঞ্চলিক তথা গোলকীয় শান্তি, সুৰক্ষা আৰু স্থায়ী উন্নয়নৰ অগ্ৰগতিৰ ক্ষেত্ৰত অৱদান আগবঢ়াব বুলি আস্থা প্ৰকাশ কৰিছে। জাপান ভ্ৰমণলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে দিয়া কালি এটা বিবৃতিত শ্ৰীমোদীয়ে কয়, যে ভ্ৰমণ কালত ভাৰত-জাপান কৌশলগত সহযোগিতাৰ পৰৱৰ্তী পৰ্যায় বিকশাই তোলা আৰু গোলকীয় সহযোগিতাত বিশেষ গুৰুত্ব আৰোপ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইছিভাৰ সৈতে তেওঁ ভাৰত-জাপান অৰ্থনৈতিক আৰু বিনিয়োগ সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু কৃত্ৰিম বুদ্ধিমত্তা আৰু অৰ্ধ পৰিবাহীসহ নিত্য নতুন প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা আগুৱাই নিয়াৰ প্ৰয়াস কৰিব। শ্ৰীমোদীয়ে কয়, যে এই ভ্ৰমণ, দুয়োখন ৰষ্ট্ৰৰ জনসাধাৰণক বিশেষ বান্ধোনেৰে বান্ধি ৰখা সভ্যতাজনিত আৰু সাংস্কৃতিক সম্পৰ্কৰ এনাজৰী সুদৃঢ় কৰাৰ সুযোগ ৰূপে পৰিগণিত হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে জাপান ভ্ৰমণ সামৰি  ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ আমন্ত্ৰণ মৰ্মে টিয়ানজিনত হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে তেওঁ

চীনলৈ যাব। ভাৰত চাংহাই সহযোগিতা সংস্থাৰ সক্ৰিয় আৰু গঠনমূলক সদস্য। প্ৰধানমন্ত্ৰীয়ে কয়, যে উমৈহতীয়া সমস্যাৰ সমাধান আৰু আঞ্চলিক সহযোগিতা গভীৰ কৰি তোলাৰ বাবে চাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে একেলগে কাম কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীমোদীয়ে কয়, যে চাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনৰ আপাহতে ৰাষ্ট্ৰপতি শ্বি জিনপিন, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আৰু অন্য নেতাসমূহৰ সৈতে হ'বলগীয়া বৈঠকলৈ তেওঁ আগ্ৰহেৰে বাট চাই আছে।

ooooo

মহাৰাষ্ট্ৰৰ পালঘৰত কালি এটা অট্টালিকা ভাঙি পৰাৰ ফলত সংঘটিত দুৰ্ঘটনাক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোক প্ৰকাশ কৰিছে। নিজৰ বাৰ্তাত শ্ৰীমোদীয়ে কয় যে এই কঠিন সময়ত তেওঁৰ চিন্তা ক্ষতিগ্ৰস্ত লোক আৰু তেওঁলোকৰ পৰিয়ালৰ সৈতে আছে। প্ৰধানমন্ত্ৰীয়ে আহত লোকসকলে শীঘ্ৰে আৰোগ্য লাভৰ আশা কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত লোকসকলক কৰ্তৃপক্ষই সকলো ধৰণৰ সহায় আগবঢ়াইছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পুৰা অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে আবেলি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি দিনৰ ১১ বাজি ৩৫ মিনিটৰ পৰা গুৱাহাটীৰ নৱনিৰ্মিত ৰাজভৱন মুকলিৰ অনুস্থান  পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই পোনপটীয়া প্ৰচাৰৰ সামৰণিতহে আমাৰ দুপৰীয়া ১২ বাজি ৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া আঞ্চলিক বাতৰি প্ৰচাৰ কৰা হ'ব।

শ্ৰীশ্বাহ এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ উদ্দেশ্যে কালি দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই তেওঁক বিমান বন্দৰত আদৰণি জনায়। গৃহমন্ত্ৰীগৰাকী বিমান বন্দৰৰ পৰা পোনে পোনে বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনলৈ ৰাওনা হয়। তাত তেওঁ বিজেপিৰ কৰ্ণধাৰ সমিটিৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। ইয়াৰ পিছত বিজেপিৰ কাৰ্যকৰ্তাসকলৰ সৈতে নৈশ আহাৰ গ্ৰহণ কৰি তেওঁ নিশাটো কইনাধৰাৰ চৰকাৰী অতিথিশালাত কটায়।

ooooo

ভাৰত আৰু ভূটানে কৃষি আৰু সংশ্লিষ্ট খণ্ডসমূহত কাৰিকৰী সহযোগিতাৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। থিম্পুত কৃষি মন্ত্ৰালয়ৰ সচিব দেৱেশ চতুৰ্বেদী আৰু ভূটানৰ কৃষি সচিব থিনলে নামগিয়েলে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। কৃষি মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে এই

চুক্তি দুয়ো দেশৰ মাজৰ স্থায়ী সহযোগিতাৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। ইয়াৰ দ্বাৰা খাদ্য সুৰক্ষা, বহনক্ষম কৃষি আৰু গ্ৰাম্য সমৃদ্ধিৰ প্ৰতি দুয়োখন দেশৰ উমৈহতীয়া দায়বদ্ধতা প্ৰতিফলিত হৈছে বুলি বিবৃতিটোত কোৱা হয়। এই বুজাবুজিৰ চুক্তিয়ে কৃষি গৱেষণা আৰু উদ্ভাৱন, পশুধনৰ স্বাস্থ্য আৰু উৎপাদন, শস্য চপোৱাৰ পাছৰ ব্যৱস্থাপনা, মূল্য শৃংখলৰ বিকাশ আৰু জ্ঞান, দক্ষতা তথা বিশেষজ্ঞসকলৰ অভিজ্ঞতাৰ আদান-প্ৰদানকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ পৰিকাঠামো হিচাপে কাম কৰিব।

০০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। এই বছৰ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ মূল বিষয়বস্তু হৈছে- শান্তিপূৰ্ণ আৰু সৰ্বাত্মক সমাজৰ প্ৰসাৰৰ বাবে খেল-ধেমালি। এই বিষয়বস্তুৰ জৰিয়তে খেল-ধেমালিয়ে কিদৰে বাধা নেওচি দলীয় ভাৱনা শক্তিশালী কৰে আৰু অঞ্চল-ভাষা অথবা পৃষ্ঠভূমিৰ মতভেদ দূৰ কৰি জনসাধাৰণক ঐক্যবদ্ধ কৰে সেই বিষয়ে আলোকপাত কৰা হৈছে। ইয়াৰ উপৰি এই বিষয়বস্তুৰ মাধ্যমেৰে শান্তি, সৰ্বাত্মকতা আৰু সদভাৱৰ আহিলা হিচাপে ক্ৰীড়াৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ উদযাপনৰ সৈতে সংগতি ৰাখি আজিৰে পৰা ৩১ আগষ্টলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰজোৰা ফিট ইণ্ডিয়া মিছনৰ আয়োজন কৰা হৈছে। ইয়াৰ অধীনত এঘণ্টা খেল-ধেমালিৰ বাবে খেলপথাৰৰ লেখীয়া অভিযানৰ আয়োজন কৰা হৈছে। ইয়াৰ জৰিয়তে জনসাধাৰণক কমেও এঘণ্টা মুকলিত খেলা খেল আৰু শাৰিৰীক গতিবিধিৰ নামত উৎসৰ্গা কৰিবলৈ উৎসাহ দিয়া হৈছে।

০০০০০

বিহাৰৰ ৰাজগিৰত আজিৰে পৰা পুৰুষৰ দ্বাদশ এছিয়া কাপ হকী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত এছিয়াৰ শীৰ্ষৰ ৮টা দল ক্ৰমে ভাৰত, জাপান, চীন, কাজাখস্তান, মালয়েছিয়া, কোৰিয়া, বাংলাদেশ আৰু চীনা টাইপেইয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত মুঠ ২৪ খন খেলোৱা হ'ব। ৭ ছেপ্তেম্বৰত ফাইনেল খেল অনুষ্ঠিত হ'ব। ভাৰতে আজি নিজৰ প্ৰথমখন খেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰত দেওবাৰে জাপানৰ আৰু সোমবাৰে কাজাখস্তানৰ সন্মুখীন হ'ব।

০০০০০

ভাৰতৰ ভাৰোত্তোলকসকলে ৩০ সংখ্যক কমনৱেলথ ভাৰোত্তোলন চেম্পিয়নশ্বিপছত দমনীয় প্ৰদৰ্শন অব্যাহত ৰাখিছে। আহমেদাবাদত চলি থকা প্ৰতিযোগিতাখনত কালি অজয়া বাবু ভেল্লুৰীয়ে পুৰুষৰ ৭৯ কিলোগ্ৰাম ওজন শাখাত স্বৰ্ণ পদক লাভ কৰে। অজয়া বাবুৱে মুঠ ৩৩৫ কিলোগ্ৰাম দাঙি ক্ৰমে ৩৩৩ কিলোগ্ৰাম আৰু ৩০৬ কিলোগ্ৰাম দঙা মালয়েছিয়াৰ মহম্মদ এৰি আৰু নাইজেৰিয়াৰ আদেডাপো আদিলেকেক পৰাস্ত কৰে। ইয়াৰ লগে লগে অজয়া বাবুৱে অহা বছৰ গ্লাছগোত হ'বলগীয়া কমনৱেলথ গেমছৰ বাবে যোগ্যতা অৰ্জন কৰে।

ইপিনে মহিলাৰ ৬৯ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত হৰজিন্দৰ কৌৰে ২২২ কিলোগ্ৰামেৰে ব্ৰঞ্জৰ পদক লাভ কৰে।

এই প্ৰতিযোগিতাখনত ৩১খন দেশৰ ৩০০ৰো অধিক ভাৰোত্তোলকে অংশগ্ৰহণ কৰিছে। চলিত সপ্তাহৰ আৰম্ভণিতে ২০২০ বৰ্ষৰ টকিঅ' অলিম্পিকত ৰূপৰ পদক বিজয়ী মিৰাবাই চানুৱে মহিলাৰ ৪৮ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক লাভ কৰি প্ৰতিযোগিতাত ভাৰতৰ অভিযান আৰম্ভ কৰাৰ লগতে কমনৱেলথ গেমছৰ বাবেও যোগ্যতা অৰ্জন কৰিছিল।

০০০০০

ভাৰতে কাজাখস্তানৰ শ্বিমখণ্ডত অনুষ্ঠিত ১৬ সংখ্যক এছিয়ান চেম্পিয়নশ্বিপছত পুৰুষৰ ব্যক্তিগত আৰু দলীয় শাখাৰ ২৫ মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টল শিতানত সোণৰ পদক লাভ কৰিছে।

ব্যক্তিগত শাখাত ৰিঅ' অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা গুৰপ্ৰীত সিঙে প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মঞ্চত স্বৰ্ণ জয় কৰাৰ বিপৰীতে অমনপ্ৰীত সিঙে ৰূপৰ পদক লাভ কৰে। হৰ্ষ গুপ্তাৰ সৈতে দুয়োগৰাকীয়ে যুটী বান্ধি দলীয় শাখাত সোণৰ পদক অৰ্জন কৰে।

প্ৰতিযোগিতাৰ কনিষ্ঠ শাখাতো ভাৰতীয় খেলুৱৈসকলে নিজৰ শক্তিশালী প্ৰদৰ্শন অব্যাহত ৰাখিছে। ৫০ মিটাৰ ৰাইফল প্ৰ'ন জুনিয়ৰ টিম আৰু ২৫ মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টল জুনিয়ৰ টিম শিতানত ভাৰতে সোণৰ পদক লাভ কৰে।

কনিষ্ঠ শাখাৰ ২৫ মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টলৰ ব্যক্তিগত শিতানত সুৰজ শৰ্মাই ৰূপৰ আৰু তনিষ্ক নাইডুৱে ব্ৰঞ্জৰ পদক লাভ কৰে। দুয়োগৰাকীয়ে মুকেশ নেলাৱল্লীৰ সৈতে মিলি দলীয় শিতানত সোণৰ পদক দখল কৰে।

কনিষ্ঠ শাখাৰ ৫০ মিটাৰ ৰাইফল প্ৰ'ন দলীয় শিতানত ছামি উলাহ খান, এড্ৰিয়ান কৰ্মকাৰ আৰু কুশাগ্ৰা সিং ৰাজাৱতৰ দলটোৱে দেশৰ বাবে আন এটা সোণৰ পদক নিশ্চিত কৰে।

এই জয়ৰ লগে লগে প্ৰতিযোগিতাত ভাৰতৰ মুঠ পদকৰ সংখ্যা ৮২লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত ৪৪টা সোণৰ, ২০টা ৰূপৰ আৰু ১৮টা ব্ৰঞ্জৰ পদক আছে।

প্ৰতিযোগিতাত আজি অন্তিম দিনা মহিলাৰ ৫০ মিটাৰ ৰাইফল প্ৰ'ন, পুৰুষৰ ২৫ মিটাৰ চেণ্টাৰ ফায়াৰ পিষ্টল আৰু পুৰুষৰ কনিষ্ঠ শাখাৰ বিভিন্ন শিতানৰ চূড়ান্ত পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**